**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আফ্ৰিকীয় দেশ চিচিলি ভ্ৰমণৰ তৃতীয় দিনা ভিক্ট'ৰীয়াত অৱস্থিত নৰশক্তি বিনয়াগৰ মন্দিৰ দৰ্শন কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰিব।

৩। কেন্দ্ৰীয় চৰকাৰে জনবিশ্বাস ব্যৱস্থাৰ সংশোধনী আইন, ২০২৬-ৰ জৰিয়তে বৈধ পৰিমাপ আইন, ২০০৯-ৰ অধীনত উন্নীত জাননী ব্যৱস্থা জাৰি কৰিছে।

৪। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হোৱা ধাৰাসাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত অসমৰ উত্তৰ প্ৰান্তৰ পৰিস্থিতি জটিল হৈ পৰিছে।

আৰু

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১০ বজাত ব্ৰাজিল জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আফ্ৰিকীয় দেশ চিচিলি ভ্ৰমণৰ তৃতীয় দিনা ভিক্ট'ৰীয়াত অৱস্থিত নৰশক্তি বিনয়াগৰ মন্দিৰ দৰ্শন কৰে। তেওঁ তাত ভাৰতীয় মূলৰ লোকসকলকো সাক্ষাৎ কৰে। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশখনৰ শান্তি উদ্যানত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে তিনি দিনীয়া চিচিলি ভ্ৰমণ সামৰি আজি স্বদেশলৈ ৰাওনা হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কালি চিচিলিৰ ৰাষ্ট্ৰীয় দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে কালি চিচিলিৰ স্বাধীনতাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অনুষ্ঠিত ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থকা শ্ৰীমোদী হৈছে প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত দিয়া নেতৃত্বৰ বাবে চিচিলিৰ সৰ্বোচ্চ সন্মান **গাৰ্ডিয়ান অব দা ব্লু হৰাইজন** প্ৰদান কৰা হয়। তেওঁ দেশখনৰ নেচনেল এছেম্বলিত ভাষণ দি কয়, যে চিচিলি আৰু ভাৰত দুয়োখন দেশে সৰ্বাত্মক বিকাশৰ দিশত আগবাঢ়িছে আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহত ইয়াৰ প্ৰতিফলন ঘটিছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰিব। আজি বিয়লি পাঁচ বজাত শ্ৰীমতী মুৰ্মুৱে আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰিব। প্ৰতিৰক্ষা বাহিনী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু অন্যান্য নিৰাপত্তা সংস্থাসমূহত কৰ্মৰত সাহসিকতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা লোকক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাই সন্ত্ৰাসবাদ, উগ্ৰবাদকে ধৰি জম্মু-কাশ্মীৰ, উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ সীমান্ত অঞ্চলৰ শত্ৰুৰ ভাবুকিৰ বিৰুদ্ধে ভাৰতৰ

অবিৰত যুঁজখনক প্ৰতিফলিত কৰে। তদুপৰি বিমান পৰিবহণ, সামুদ্ৰিক অভিযান আৰু মানৱীয় অভিযানসমূহত দেখুওৱা অনবদ্য সাহসকো এই বঁটাৰ জৰিয়তে স্বীকৃতি দিয়া হয়। ইয়াৰ আগেয়ে ৰাষ্ট্ৰপতিগৰাকীয়ে যোৱা ৮ জুনত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অনুষ্ঠানত প্ৰথম পৰ্যায়ৰ সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰিছিল।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে জনবিশ্বাস ব্যৱস্থাৰ সংশোধনী আইন, ২০২৬-ৰ জৰিয়তে বৈধ পৰিমাপ আইন, ২০০৯-ৰ অধীনত উন্নীত জাননী ব্যৱস্থা জাৰি কৰিছে। এই ব্যৱস্থাৰ দ্বাৰা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ দ্বাৰা নাইবা বিধি অনুসৰি আইন অমান্য কৰা ব্যৱসায়ীসকলৰ বিৰুদ্ধে শাস্তিমূলক কাৰ্যবিধি আৰম্ভ কৰাৰ পূৰ্বে তেওঁলোকক শুধৰণিৰ সুযোগ দিয়া হ'ব। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে এই সংশোধনীৰ দ্বাৰা ব্যৱসায়িক সূচলতা বৃদ্ধি কৰাৰ লগতে স্বেচ্ছামূলকভাৱে নীতি মানি চলিবলৈ ব্যৱসায়ীসকলক উৎসাহিত কৰা হ'ব। ইয়াৰ ফলত অনাহক আইনী প্ৰক্ৰিয়া হ্ৰাস কৰাৰ লগতে আস্থাভিত্তিক নীতি-নিৰ্দেশনা ব্যৱস্থা আৰু গ্ৰাহক সুৰক্ষা পদক্ষেপসমূহো শক্তিশালী হ'ব বুলি আশা কৰা হৈছে। মন্ত্ৰ্যালয় সূত্ৰই প্ৰকাশ কৰা মতে নতুন ব্যৱস্থাৰ অধীনত এজন বৈধ পৰিমাপ বিজ্ঞান বিষয়াই ব্যৱসায়ৰ নীতিসমূহ প্ৰথমবাৰৰ বাবে উলংঘা কৰা ব্যৱসায়ীক সংশোধনী আৰু শুধৰণিৰ বাবে জাননী জাৰি কৰিব পাৰে। ইয়াৰ ফলত ব্যৱসায়ীসকলে শুধৰণি কৰিবলৈ যুক্তিসংগত সময় লাভ কৰিব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ব্যৱসায়ীসকলে নীতি মানি চলিলে আইনী প্ৰক্ৰিয়া অথবা কোনো মোকৰ্দমাৰ প্ৰয়োজন নহ'ব বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

উৎপাদনকাৰী, আমদানিকাৰী, মেৰামতিৰ সৈতে জড়িতসকল, ডিলাৰ, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ আৰু অন্যান্য ব্যৱসায়ীসকলৰ ক্ষেত্ৰতো এই ব্যৱস্থা প্ৰযোজ্য হ'ব। নিৰ্দিষ্ট ওজন আৰু মাপকাঠী মানি নচলা, পঞ্জীয়ন, নথি, ৰক্ষণাবেক্ষণ আদিৰ লগতে কৰ ৰিটাৰ্ন প্ৰদানৰ ক্ষেত্ৰত বিধি উলংঘা কৰাসকলৰ ক্ষেত্ৰতো এই পদক্ষেপ গ্ৰহণ কৰা হ'ব।

ooooooooo

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হোৱা ধাৰাসাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত অসমৰ উত্তৰ প্ৰান্তৰ পৰিস্থিতি জটিল হৈ পৰিছে। বিশেষকৈ ধেমাজি জিলাত অৰুণাচলৰ পাহাৰীয়া নৈৰে বৈ অহা ঢলে বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছে। জোনাইৰ চিলে আৰু জোনাই নৈৰ বাঢ়নি পানীয়ে বাহিৰ জোনাই, লুহিজান, লোহিতপুৰ দেউৰী, বেৰাবেংগলী, অকলেঙুকে ধৰি কমেও কুৰিখন গাঁও জলমগ্ন কৰিছে। একেদৰে দিখাৰি নৈৰ বানে জোনাই অঞ্চলৰ ১৫ খনৰো অধিক গাঁও বুৰাই পেলাইছে। জিলাখনত বৰ্তমানলৈকে বানত ক্ষতিগ্ৰস্ত প্ৰায় ১২ হাজাৰ লোকৰ বাবে ৯টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। ইপিনে চিমেন নৈৰ বাঢ়নি পানীয়ে কালি নৈখনৰ ওপৰত থকা ৰে'ল দলঙৰ এটা অংশ খহাই নিয়াত চিলাপথাৰ আৰু মুৰ্কংচেলেকৰ মাজত অনিৰ্দিষ্ট কাললৈ ৰে'ল যোগাযোগ বন্ধ হৈ পৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অৰুণাচল প্ৰদেশত ভূমিস্খলনৰ ফলত কালি ছিজি-মাগি ব্লক পইণ্টত ছিজি নদীৰ সোঁত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাত নদীখনৰ স্বাভাৱিক জলধাৰা বন্ধ হৈ পৰে। ইয়াৰ ফলত ধেমাজি জিলাৰ বিভিন্ন অংশত আকস্মিক বানৰ আশংকাই দেখা দিছে।

জিলাখনৰ সকলো নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে বুলি জলসম্পদ বিভাগৰ তথ্যত প্ৰকাশ পাইছে।

ধেমাজি জিলা প্ৰশাসনে নামনি চিয়াং জিলাৰ বিশেষকৈ লিকাবালি, চিজি নদীৰ কাষৰীয়া গাঁও আৰু অসমৰ নামনি অঞ্চলৰ জনসাধাৰণৰ সুৰক্ষাৰ্থে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সকলো সময়তে চৰকাৰী কৰ্তৃপক্ষৰ নিৰ্দেশৰ প্ৰতি সাজু হৈ থাকিবলৈ আৰু প্ৰয়োজন সাপেক্ষে সুৰক্ষিত স্থানলৈ স্থানান্তৰৰ বাবে সাজু হৈ থাকিবলৈ কোৱা হৈছে। তদুপৰি নদীৰ পাৰৰ পৰা আঁতৰি থাকিবলৈ আৰু অপ্ৰয়োজনীয় যাত্ৰা এৰাই চলিবলৈ নিৰ্দেশ দিছে।

বানৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্য জন্তুসমূহে ৰাষ্ট্ৰীয় ঘাইপথেদি পাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত বন্য জীৱজন্তুৰ সুৰক্ষাৰ বাবে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ছটা এনিমেল কৰিডৰত অত্যাধুনিক চেন্সৰ কেমেৰা সংস্থাপন কৰা হৈছে। এই পথছোৱাৰে ৪০ কিলোমিটাৰতকৈ অধিক বেগত যান-বাহন চলাব নোৱাৰিব বুলি প্ৰকাশ কৰা হৈছে।

ধেমাজিৰ বানৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে টেলিফোনযোগে পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই তেওঁক উদ্ধাৰ আৰু সাহায্য অভিযানৰ বিষয়ে সবিশেষ অৱগত কৰে।

ooooooooo

মণিপুৰত ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস আৰু পলিঅ' প্ৰতিষেধক কাৰ্যসূচী ২০২৬ৰ শুভাৰম্ভ কৰা হৈছে। কালি আৰম্ভ কৰা এই কাৰ্যসূচীৰ অধীনত ৰাজ্যখনৰ ২ লাখ ৯০ হাজাৰটা শিশুক প্ৰতিষেধক প্ৰদান কৰা হ'ব। ৰাজ্যখনৰ প্ৰতিখন জিলাতে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৫ বছৰ পৰ্যন্ত বয়সৰ কোনো শিশুৱে যাতে এই কাৰ্যসূচীৰ পৰা বাদ পৰি নাযায় তাৰ বাবে স্বাস্থ্য বিভাগে বিশেষ ব্যৱস্থা লৈছে। কালি ইম্ফলৰ পৰিয়াল কল্যাণ সেৱা সঞ্চালকালয়ত এই কাৰ্যসূচীৰ শুভাৰম্ভ হয়। বিভাগীয় সঞ্চালকে শুভাৰম্ভ কৰা কাৰ্যসূচীত স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলে অভিভাৱকসকলক সমীপৱৰ্তী বুথলৈ গৈ তেওঁলোকৰ ৫ বছৰ পৰ্যন্ত বয়সলৈকে শিশুসকলক পলিঅ' প্ৰতিষেধক দিবলৈ আহ্বান জনায়। মণিপুৰক পলিঅ'মুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে এই কাৰ্যসূচী লোৱা হৈছে।

ooooooooo

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে অনুসন্ধান চলাই থকা চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা নীট ইউ জি, ২০২৬-ৰ প্ৰশ্নকাকত ফাদিল গোচৰত ১০ জন অভিযুক্তৰ ন্যায়িক জিম্মাৰ ম্যাদ দিল্লীৰ এখন আদালতে ১১ জুলাইলৈ বৃদ্ধি কৰিছে। পূৰ্বৰ ন্যায়িক জিম্মাৰ ম্যাদ উকলি যোৱাৰ লগে লগে অভিযুক্তকেইজনক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱা হয়। ইয়াৰ পূৰ্বে ১৫ জুনত আদালতে অভিযুক্তকেইজনৰ ন্যায়িক জিম্মা আজিলৈকে বৃদ্ধি কৰিছিল। উল্লেখযোগ্য যে এই গোচৰ সংক্ৰান্তত চি বি আইয়ে এই পৰ্যন্ত ১৩ জন লোকক গ্ৰেপ্তাৰ কৰি প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত সোধাপোছা অব্যাহত ৰাখিছে।

ooooooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১০ বজাত ব্ৰাজিল জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা আমেৰিকাৰ লছ এঞ্জেলছত অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত কানাডাই দক্ষিণ আফ্ৰিকাক ১-০ গ'লত পৰাস্ত কৰে। কানাডাৰ হৈ ষ্টিফেন ইউষ্টাকিউৱেই খেলখনৰ দ্বিতীয়াৰ্ধৰ সামৰণিলৈ ২ মিনিট বাকী থকা অৱস্থাত বিজয়সূচক গ'লটো দিয়ে। সহ আয়োজক কানাডাই খেলখনৰ অন্তিম মুহূৰ্তত সুন্দৰ প্ৰদৰ্শনেৰে ফুটবল প্ৰেমীৰ মন জয় কৰে। কানাডাই অহা ৪ জুলাইত হিউষ্টনত নেডাৰলেণ্ডছ অথবা মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ খেলসমূহ যোৱা নিশাৰে অনুষ্ঠিত হৈছে। গ্ৰুপ পৰ্যায়ত জয়লাভ কৰা ৩২টা দল নকআউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হ'ব।

ooooooooo

সমাপ্ত